**23-01-2025** প্ৰাতঃমুৰুলী ওঁম্ শান্তি! "বাপদাদা" মধুবন।

**"মৰমৰ সন্তানসকল – মুখ্য দুটা কথা সকলোকে বুজাব লাগে - এটা হ'ল পিতাক স্মৰণ কৰা, আনটো 84ৰ চক্ৰক জানি লোৱা তেতিয়া সকলো প্ৰশ্ন সমাপ্ত হৈ যাব"**

প্ৰশ্ন: পিতাৰ মহিমাত কোনটো শব্দ আহে যিটো শ্ৰীকৃষ্ণৰ মহিমাত নাই?

উত্তৰ: বৃক্ষপতি কেৱল পিতাহে, শ্ৰীকৃষ্ণক বৃক্ষপতি বুলি কোৱা নহয়। পিতাসকলৰো পিতা বা পতিসকলৰো পতি বুলি এজন নিৰাকাৰক কোৱা হয়, শ্ৰীকৃষ্ণক নহয়। দুয়োজনৰে মহিমা বেলেগে বেলেগে স্পষ্ট কৰিব লাগে।

প্ৰশ্ন: তোমালোক সন্তানসকলে গাঁৱে গাঁৱে গৈ কোনটো কথা ঢোল পিটি শুনাব লাগে?

উত্তৰ: গাঁৱে গাঁৱে গৈ ঢোল পিটি শুনাই দিয়া যে মনুষ্যৰ পৰা দেৱতা, নৰকবাসীৰ পৰা স্বৰ্গবাসী কেনেকৈ হ'ব পাৰি, সেয়া আহি বুজক। স্থাপনা, বিনাশ কেনেকৈ হয়, আহি বুজক।

গীত: তুম্হী হো মাতা, পিতা তুম্হী হো….. (তুমিয়েই মাতা, পিতা তুমিয়েই.......)

ওঁম্ শান্তি। এই গীতটিৰ শেষৰ ফালে যিটো শাৰী আছে - তুমিয়েই নাও, তুমিয়েই নাৱৰীয়া..... এইটো ভুল। যেনেকৈ আপুনিয়েই পূজ্য আপুনিয়েই পুজাৰী বুলি কয় - এইটোও তেনেকুৱাই হৈ যায়। যিসকল জ্ঞানত উজ্জ্বল তেওঁলোকে তৎক্ষণাৎ গীতটি বন্ধ কৰি দিব কিয়নো পিতাক অপমান কৰা হয়। এতিয়া তোমালোক সন্তানসকলেতো জ্ঞান লাভ কৰিছা, বাকী মনুষ্যৰ এই জ্ঞান নাই। তোমালোকেও এতিয়াহে পাইছা। পাছত এই জ্ঞান কেতিয়াও নাথাকে। 'গীতা'ৰ ভগৱানৰ জ্ঞান পুৰুষোত্তম হ'বৰ বাবে পোৱা যায়, ইমানখিনি বুজি পায়। কিন্তু কেতিয়া পোৱা যায়, কেনেকৈ পোৱা যায়, সেয়া পাহৰি গ'ল। 'গীতা' হয়েই ধৰ্ম প্ৰতিষ্ঠাৰ শাস্ত্ৰ, আৰু অন্য কোনো শাস্ত্ৰ ধৰ্ম প্ৰতিষ্ঠাৰ অৰ্থে ৰচা হোৱা নাই। 'শাস্ত্ৰ' শব্দটিও কেৱল ভাৰতহে কামত আহে। সৰ্ব শাস্ত্ৰৰ শিৰোমণি হৈছে 'গীতা'। বাকী সেই সকলো ধৰ্মতো পাছতহে আহে। সেইবিলাকক শিৰোমণি বুলি নকয়। সন্তানসকলে জানে বৃক্ষপতি এজন পিতাহে হয়। তেওঁ আমাৰ পিতাও হয়, পতিও হয় গতিকে সকলোৰে পিতাও হয়। তেওঁক পতিসকলৰো পতি, পিতাসকলৰো পিতা….. বুলি কোৱা হয়। এই মহিমা কেৱল এজন নিৰাকাৰৰহে কৰা হয়। শ্ৰীকৃষ্ণ আৰু নিৰাকাৰ পিতাৰ মহিমাৰ পাৰ্থক্য আছে। শ্ৰীকৃষ্ণতো হয়েই নতুন সৃষ্টিৰ ৰাজকুমাৰ। তেওঁ আকৌ পুৰণি সৃষ্টিত সংগমযুগত ৰাজযোগ কেনেকৈ শিকাব! এতিয়া সন্তানসকলে বুজি পায় আমাক ভগৱানে পঢ়াই আছে। তোমালোকে পঢ়ি এয়া (দেৱী-দেৱতা) হোৱাগৈ। পাছত আকৌ এই জ্ঞান নাথাকে। প্ৰায়ঃ লুপ্ত হৈ যায়। বাকী আটাত নিমখৰ দৰে অৰ্থাৎ চিত্ৰহে থাকেগৈ। বাস্তৱত কাৰো চিত্ৰ যথাৰ্থতো নহয়। পোন-প্ৰথমে যেতিয়া পিতাৰ পৰিচয় পাব তেতিয়া তোমালোকে ক'বা এয়াতো ভগৱানে বুজায়। তেওঁতো নিজেই শুনাব। আপুনি কি প্ৰশ্ন সুধিব! প্ৰথমে পিতাকতো জানি লওঁক।

পিতাই আত্মাসকলক কয় - মোক স্মৰণ কৰা। মাথোন দুটা কথা স্মৃতিত ৰাখি লোৱা। পিতাই কয় - মোক স্মৰণ কৰা আৰু 84ৰ চক্ৰক স্মৰণ কৰা, বচ্। এই দুটা মুখ্য কথাই বুজাব লাগে। পিতাই কয় - তোমালোকে নিজৰ জন্মক নাজানা। ব্ৰাহ্মণ সন্তানসকলকে কয়, অন্য কোনেওতো বুজিও নোৱাৰে। প্ৰদৰ্শনীত চোৱা কিমান ভীৰ হয়। এনেকৈ ভাবে যে ইমানবোৰ মনুষ্য যায় যেতিয়া নিশ্চয় কিবা চাবলগীয়া বস্তুৱেই হ'ব। সোমাই যায়। এজন এজনক বহি বুজালেও মুখ ভাগৰি পৰিব। তেনেহ'লে কি কৰা উচিত? প্ৰদৰ্শনী গোটেই মাহ ধৰি চলি থাকিলে ক'ব পাৰা - আজি ভীৰ হৈ আছে, কাইলৈ বা পৰহিলৈ আহক। তাৰ ভিতৰতো যিসকলৰ পঢ়াৰ হেঁপাহ আছে বা মনুষ্যৰ পৰা দেৱতা হ'ব বিচাৰে, তেওঁলোকক বুজাব লাগে। এখনেই এই লক্ষ্মী-নাৰায়ণৰ চিত্ৰ বা বেজ দেখুৱাব লাগে। পিতাৰ দ্বাৰা এই বিষ্ণুপুৰীৰ মালিক হ'ব পাৰে, এতিয়া ভীৰ হৈ আছে সেৱাকেন্দ্ৰলৈ আহিব। ঠিকনাতো লিখাই আছে। বাকী কেৱল এনেকৈ কৈ দিলে - এয়া স্বৰ্গ, এয়া নৰক, ইয়াৰ পৰা মনুষ্যই কি বুজিব? সময় নষ্ট হৈ যায়। এনেয়েতো চিনিবও নোৱাৰি, এওঁ ডাঙৰ ব্যক্তি নে চহকী নে গৰিব? আজিকালি পোছাক আদি এনেকৈ পিন্ধে যে কোনেও ধৰিব নোৱাৰে। প্ৰথমতে পিতাৰ পৰিচয় দিব লাগে। পিতা হৈছে স্বৰ্গ স্থাপনা কৰোঁতা। এতিয়া এনেকুৱা হ'ব লাগে। লক্ষ্য-উদ্দেশ্য সন্মুখত আছে। পিতাই কয় –উচ্চতকৈও উচ্চ মই হওঁ। মোক স্মৰণ কৰা, এয়া হৈছে বশীকৰণ মন্ত্ৰ। পিতাই কয় – মামেকম্ (কেৱল মোক) স্মৰণ কৰা তেতিয়া তোমালোকৰ বিকৰ্ম বিনাশ হ'ব আৰু বিষ্ণুপুৰীলৈ আহি যাবা - ইমানখিনিতো নিশ্চয় বুজাব লাগে। 8-10 দিনলৈ প্ৰদৰ্শনী ৰাখিব লাগে। তোমালোকে গাঁৱে গাঁৱে গৈ ঢোল পিটি শুনাই দিয়া যে মনুষ্যৰ পৰা দেৱতা, নৰকবাসীৰ পৰা স্বৰ্গবাসী

কেনেকৈ হ’ব পাৰি, সেয়া আহি বুজক। স্থাপনা, বিনাশ কেনেকৈ হয়, আহি বুজক। যুক্তি বহুত আছে।

তোমালোক সন্তানসকলে জানা যে সত্যযুগ আৰু কলিযুগৰ মাজত দিন-ৰাতিৰ পাৰ্থক্য আছে। ব্ৰহ্মাৰ দিন আৰু ব্ৰহ্মাৰ ৰাতি বুলি কোৱা হয়। ব্ৰহ্মাৰ দিন তথা বিষ্ণুৰ দিন, বিষ্ণুৰ তথা ব্ৰহ্মাৰ। কথা একেটাই। ব্ৰহ্মাৰো 84 জন্ম, বিষ্ণুৰো 84 জন্ম। কেৱল এই অধি (লিপ) জন্মৰ ক্ষেত্ৰত পাৰ্থক্য হৈ যায়। এই কথাবোৰ বুদ্ধিত ধাৰণ কৰিব লাগে। ধাৰণা নহ’লে কাৰোবাক কেনেকৈ বুজাব পাৰিবা? এয়া বুজোৱাতো বহুত সহজ। কেৱল লক্ষ্মী-নাৰায়ণৰ চিত্ৰৰ সন্মুখত এই কথাবোৰ শুনাবা। পিতাৰ দ্বাৰা এই পদ প্ৰাপ্ত কৰিব লাগে, নৰকৰ বিনাশ সমাগত। সেই লোকসকলেতো নিজৰ মানৱ মতেই শুনাব। ইয়াত হৈছে ঈশ্বৰীয় মত, যিটো আমি আত্মাসকলে ঈশ্বৰৰ পৰা পাইছোঁ। নিৰাকাৰ আত্মাসকলে নিৰাকাৰ পৰমাত্মাৰ মত লাভ কৰে। বাকী সকলো হৈছে মানৱ মত। দিন-ৰাতিৰ পাৰ্থক্য আছে নহয় জানো। সন্ন্যাসী, উদাসী আদি কোনেও দিব নোৱাৰে। ঈশ্বৰীয় মত এবাৰেই পোৱা যায়। যেতিয়া ঈশ্বৰ আহে তেতিয়া তেওঁৰ মতেৰে আমি এনেকুৱা হওঁ। তেওঁ আহেই দেৱী-দেৱতা ধৰ্ম প্ৰতিষ্ঠা কৰিবৰ বাবে। এইটো কথাও ধাৰণ কৰিব লাগে, যাতে সময়ত কামত আহে। মূল কথা থোৰতে বুজালে সেয়াও যথেষ্ট। কেৱল লক্ষ্মী-নাৰায়ণৰ চিত্ৰৰ ওপৰত বুজালে সেয়াই যথেষ্ট। এয়া হৈছে লক্ষ্য-উদ্দেশ্যৰ চিত্ৰ, ভগৱানে এই নতুন সৃষ্টি ৰচনা কৰিছে। ভগৱানেই পুৰুষোত্তম সংগমযুগত এওঁলোকক পঢ়াইছিল। এই পুৰুষোত্তম যুগৰ বিষয়ে কোনেও নাজানে। সেয়েহে সন্তানসকল এই সকলোবোৰ কথা শুনি কিমান আনন্দিত হোৱা উচিত। শুনি উঠি আনক শুনালে আৰু আনন্দ লাগে। সেৱা কৰাসকলকে ব্ৰাহ্মণ বুলি কোৱা হ’ব। তোমালোকৰ কাষলতিত প্ৰকৃত গীতা আছে। ব্ৰাহ্মণসকলৰ মাজতো ক্ৰমানুসৰি থাকে। কিছুমান ব্ৰাহ্মণতো বহুত প্ৰসিদ্ধ হয়, বহুত উপাৰ্জন কৰে। কিছুমানেতো কোনোমতেহে খাবলৈ পায়। কোনো কোনো ব্ৰাহ্মণতো লাখপতি হয়। বহুত আনন্দেৰে, নিচাৰে কয় - মই ব্ৰাহ্মণ কুলৰ। সঁচা ব্ৰাহ্মণ কুলৰ বিষয়েতো গমেই নাপায়। ব্ৰাহ্মণক উত্তম বুলি মান্যতা দিয়া হয়, সেইবাবেতো ব্ৰাহ্মণসকলক খুৱায়। দেৱতা, ক্ষত্ৰিয় বা বৈশ্য, শূদ্ৰ ধৰ্মালম্বীসকলক কেতিয়াও নুখুৱায়। ব্ৰাহ্মণকে খুৱায় সেই কাৰণে বাবাই কয় - তোমালোকে ব্ৰাহ্মণসকলক ভালদৰে বুজোৱা। ব্ৰাহ্মণসকলৰো সংগঠন আছে, ভালদৰে নিৰীক্ষণ কৰি গুচি যাব লাগে। ব্ৰাহ্মণতো প্ৰজাপিতা ব্ৰহ্মাৰ সন্তান হোৱা উচিত, আমি তেওঁৰ সন্তান। ব্ৰহ্মা কাৰ সন্তান, সেইটোও বুজাব লাগে। চাব লাগে যে ক'ত ক'ত তেওঁলোকৰ সংগঠন হয়। তোমালোকে বহুতৰে কল্যাণ সাধন কৰিব পাৰা। বানপ্ৰস্থ স্ত্ৰীসকলৰো সভা থাকে। বাবাক জানো কোনোবাই খবৰ দিয়ে যে আমি ক’ত ক’ত গ’লোঁ? গোটেই জংঘল ভৰি আছে, তোমালোক য'লৈকে যোৱা চিকাৰ কৰি আহিবা, প্ৰজা তৈয়াৰ কৰি আহিবা, ৰজাও কৰি তুলিব পাৰা। সেৱাতো বহুত আছে। আবেলি 5 বজাত চুটি পোৱা, তালিকাত টুকি ৰাখিব লাগে - আজি ইয়ালৈ ইয়ালৈ যাম। বাবাই যুক্তিতো বহুত দিয়ে। পিতাই সন্তানসকলৰ লগতে কথা পাতে। এইটো দৃঢ় নিশ্চয় হোৱা উচিত যে মই আত্মা। বাবাই (পৰম আত্মাই) আমাক শুনায়, ধাৰণ আমি কৰিব লাগে। যেনেকৈ শাস্ত্ৰ অধ্যয়ন কৰিলে তেতিয়া সেই সংস্কাৰ লৈ যায় আৰু পৰৱৰ্তী জন্মতো সেই সংস্কাৰ জাগ্ৰত হৈ যায়। এনেকৈ কোৱা হয় - সংস্কাৰ লৈ আহিছে। যিয়ে বহুত শাস্ত্ৰ পঢ়ে তেওঁক হৰ্তা-কৰ্তা বুলি কোৱা হয়। তেওঁ নিজকে সৰ্বশক্তিমান বুলি নাভাবিব। এইখন খেল, যি পিতাইহে বুজায়, নতুন কথা নহয়। ড্ৰামা ৰচি থোৱা আছে, যাক বুজিব লাগে। মনুষ্যই এইটো নুবুজে যে এয়া হৈছে পুৰণি সৃষ্টি। পিতাই কয় যে মই আহি গ’লোঁ। মহাভাৰতৰ যুদ্ধ সমাগত। মনুষ্য অজ্ঞান অন্ধকাৰত শুই আছে। অজ্ঞান ভক্তিক কোৱা হয়। জ্ঞানৰ সাগৰতো পিতাই হয়। যিয়ে বহুত ভক্তি কৰে, তেওঁ ভক্তিৰ সাগৰ হয়। ভক্ত মালাও নাই জানো। ভক্ত মালাৰো নাম একত্ৰিত কৰিব লাগে। ভক্ত মালা দ্বাপৰৰ পৰা কলিযুগলৈহে থাকিব। সন্তানসকল বহুত আনন্দিত হৈ থাকিব লাগে। বহুত আনন্দিত সেইসকল হ’ব যিসকলে গোটেই দিন সেৱা কৰি থাকিব।

বাবাই বুজাইছে - মালাতো বহুত দীঘল হয়, হাজাৰৰ সংখ্যাত। কোনোবাই ক’ৰবাৰ পৰা, আন কোনোবাই আন ক’ৰবাৰ পৰা টানে। কিবাতো থাকিব নহয়, যাৰ বাবে ইমান দীঘল মালা তৈয়াৰ কৰিছে। মুখেৰে ‘ৰাম ৰাম’ বুলি কৈ থাকে, এইটোও সুধিব লাগে – কাক ‘ৰাম ৰাম’ বুলি কৈ স্মৰণ কৰি আছে? তোমালোকে য'তে হ’লেও সৎসংগ আদিত গৈ তেওঁলোকৰ লগত মিলি বহিব পাৰা। হনুমানৰ দৃষ্টান্ত আছে নহয় যে য'তে সৎসংগ হৈছিল তাতে জোতা-চেণ্ডেলত গৈ বহিছিল। তোমালোকেও সুযোগ গ্ৰহণ কৰিব লাগে। তোমালোকে বহুত সেৱা কৰিব পাৰা। সেৱাত সফলতা তেতিয়া হ'ব যেতিয়া জ্ঞানৰ সাৰ কথাবোৰ বুদ্ধিত থাকিব, জ্ঞানৰ নিচাত থাকিবা। সেৱাৰ বহুত যুক্তি আছে, ৰামায়ণ, ভাগৱত আদিৰো বহুত কথা আছে, যাৰ ওপৰত তোমালোকে দৃষ্টি গোচৰ কৰাব পাৰা। কেৱল অন্ধশ্ৰদ্ধাৰে বহি জানো সৎসংগ কৰিব লাগে। কোৱা - আমিতো আপোনালোকৰ কল্যাণ কৰিব বিচাৰোঁ। সেই ভক্তি একেবাৰে বেলেগ, এই জ্ঞান বেলেগ। জ্ঞান এজন জ্ঞানেশ্বৰ পিতাইহে দিয়ে। সেৱাতো বহুত আছে, কেৱল এনেকৈ কোৱা যে উচ্চতকৈ উচ্চ কোন? উচ্চতকৈও উচ্চ এজনেই ভগৱান, উত্তৰাধিকাৰো তেওঁৰ পৰা পোৱা যায়। বাকীতো হৈছে ৰচনা। সন্তানসকলৰ সেৱাৰ চখ থাকিব

লাগে। তোমালোকে ৰাজ্য কৰিবলৈ হ'লে প্ৰজাও তৈয়াৰ কৰিব লাগিব। এইটো জানো সাধাৰণ মহামন্ত্ৰ - পিতাক স্মৰণ কৰা তেতিয়া অন্তিমৰ স্থিতি অনুসৰিয়ে গতি হৈ যাব। ভাল বাৰু!

অতি মৰমৰ, কল্পৰ পাছত পুনৰাই মিলিত হোৱা সন্তানসকলৰ প্ৰতি মাতা-পিতা বাপদাদাৰ স্নেহপূৰ্ণ স্মৰণ আৰু সুপ্ৰভাত। আত্মিক পিতাৰ আত্মিক সন্তানসকলক নমস্কাৰ।

*ধাৰণাৰ বাবে মুখ্য সাৰ:-**

(1) পিতাই যি বশীকৰণ মন্ত্ৰ দিছে, সেয়া সকলোকে সোঁৱৰাই দিব লাগে। সেৱাৰ ভিন্ন ভিন্ন যুক্তি (উপায়) ৰচিব লাগে। ভীৰত নিজৰ সময় নষ্ট কৰিব নালাগে।

(2) জ্ঞানৰ সাৰ কথাবোৰ বুদ্ধিত ৰাখি জ্ঞানৰ নিচাত মতলীয়া হৈ থাকিব লাগে। হনুমানৰ দৰে সৎসংগবোৰত গৈ বহিব লাগে আৰু তেওঁলোকৰ সেৱা কৰিব লাগে। আনন্দত থাকিবলৈ গোটেই দিন সেৱা কৰিব লাগে।

বৰদান: 'মই' আৰু 'মোৰ বোধ' উৎসৰ্গিত কৰোঁতা সম্পূৰ্ণ মহাবলী হোৱা

পাৰ্থিৱ যিকোনো ব্যক্তি বা বৈভৱৰ প্ৰতি আসক্তি - এয়াই 'মোৰ বোধ'। এই 'মোৰ বোধ'ক আৰু 'মই' কৰোঁ, 'মই' কৰিলোঁ.... এই 'মই' বোধক সম্পূৰ্ণ সমৰ্পণ কৰোঁতা অৰ্থাৎ বলি দিওঁতাজনেই মহাবলী। যেতিয়া হদৰ (পাৰ্থিৱ) 'মই বোধ' সমৰ্পণ কৰিবা তেতিয়া সম্পূৰ্ণ বা পিতাৰ সমান হৈ যাবা। 'মই' কৰি আছোঁ, নহয়। 'বাবা'ই কৰাই আছে, 'বাবা'ই চলাই আছে। যিকোনো কথাত 'মই'ৰ সলনি সদায় স্বাভাৱিক কথা-বতৰাতো যাতে 'পিতা' শব্দহে আহে, 'মই' শব্দ নহয়।

শ্লোগান: সংকল্পত এনেকুৱা দৃঢ়তা ধাৰণ কৰা যাৰ দ্বাৰা ভবা আৰু কৰা সমান হৈ যায়।

!! ওঁম্ শান্তি !!

শক্তিশালী মনেৰে শক্তিৰ প্ৰকম্পন দিয়াৰ সেৱা কৰিবলৈ আজিৰ অব্যক্ত সংকেত:

সময় অনুসৰি এতিয়া মন আৰু বাণীৰ সেৱা একেলগে কৰা। কিন্তু বাণীৰ সেৱা সহজ, মনৰ সেৱাত মনোযোগ দিয়াৰ কথা আছে সেই কাৰণে সকলো আত্মাৰ প্ৰতি মনত শুভ-ভাৱনা, শুভ-কামনাৰ সংকল্প উদয় হওঁক। বাণীত মধুৰতা, সন্তুষ্টতা, সৰলতাৰ নবীনতা থাকিলে সহজে সফলতা প্ৰাপ্ত হৈ থাকিব।